# কৃতজ্ঞতা স্বীকাৰ

পোন প্ৰথমে মোৰ গৱেষণা কৰ্মৰ তত্বাৱধায়ক, গুৱাহাটী বিশ্ববিদ্যালয়ৰ হিন্দী বিভাগৰ মুৰব্বী অধ্যাপক ড° দিলীপ কুমাৰ মেধিদেৱলৈ মোৰ কৃতজ্ঞতাৰ শৰাই আগবঢ়ালো। তেখেতৰ বহুমূলীয়া দিহা-পৰামৰ্শ, অনুপ্ৰেৰণা আৰু অহৰহ তাগিদাই মোৰ গৱেষণা কৰ্মক আগবাঢ়ি যোৱাত সহায় কৰিছে।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগৰ শ্ৰদ্ধাৰ অধ্যাপকমণ্ডলী, বিভাগীয় প্ৰধান ড° দিলীপ বৰা, ড° গোলোকেশ্বৰ গোস্বামী, ড° মুকুল চক্ৰৱৰ্তী, ড° জ্যোৎস্না কুমাৰী ৰাউত, ড° অনুৰাধা শৰ্মা আৰু হিন্দী বিভাগৰ অধ্যাপক ড° অমিত কুমাৰ পাণ্ডেলৈ তেওঁলোকে আগবঢ়োৱা দিহা-পৰামৰ্শৰ বাবে কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছো।

মোৰ কৰ্মস্থলী মঙলদৈ মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ অধ্যাপক ড° বিজয় কুমাৰ শৰ্মা, শ্ৰীযুত ডিম্বেশ্বৰ বৰুৱা, ড° বৰ্ণালী কলিতা, ড° সৰযুপ্ৰিয়া দেৱী, বাংলা বিভাগৰ অধ্যাপিকা শ্ৰীমতী মৌচুমী কংসবণিক, দৰ্শন বিভাগৰ অধ্যাপিকা শ্ৰীমতী মঞ্জু কলিতালৈ তেওঁলোকে আগবঢ়োৱা দিহা-পৰামৰ্শ আৰু সহায়-সহযোগিতাৰ বাবে কৃতজ্ঞতা জনালো। মোৰ মৰমৰ ছাত্ৰী ড° বিজয়া বৰা, ড° মালৱিকা বাগ্‌লাৰী, প্ৰণামিকা শৰ্মা আৰু মঞ্জুলালৈয়ো মোৰ কৃতজ্ঞতা যাঁচিছো।

মোৰ দেউতা স্বৰ্গীয় দীনেশ্বৰ বৰুৱা, মা স্বৰ্গীয়া সুবৰ্ণ বৰুৱা, শহুৰ দেউতা স্বৰ্গীয় লোকনাথ হাজৰিকাই মোৰ গৱেষণা কৰ্মৰ পূৰ্ণতা দেখিবলৈ নাপালে। তেওঁলোকৰ ত্যাগ, প্ৰেৰণা, অভিলাস আৰু আশীৰ্বাদে মোৰ এই যাত্ৰাপথ অনেক সুচল কৰি তুলিলে। তেওঁলোকলৈ মোৰ ভক্তিভৰা প্ৰণিপাত জনাইছো। মোৰ দুয়োখন ঘৰৰ সদস্যবৃন্দৰ আগ্ৰহ আৰু তাগিদাই মোৰ গৱেষণা কৰ্মত যথেষ্ট অনুপ্ৰেৰণা যোগাইছিল। তেওঁলোক আটাইলৈ মোৰ কৃতজ্ঞতা যাঁচিছো।

মোৰ গৱেষণা কাৰ্যৰ বাবে প্ৰয়োজনীয় গ্ৰন্থাদি যোগান ধৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ কৃষ্ণকান্ত সন্দিকৈ গ্ৰন্থাগাৰ, আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগৰ বিভাগীয় গ্ৰন্থাগাৰ, হিন্দী বিভাগৰ গ্ৰন্থাগাৰ, ওদালগুৰি মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ, মঙলদৈ

মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰ আৰু দৰং জিলা পুথিভঁৰালৰ কৰ্ম-কৰ্তাসকললৈ তেওঁলোকে আগবঢ়োৱা সহায়-সহযোগিতাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিলো।

গুৱাহাটী বিশ্ববিদ্যালয়ৰ আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগৰ কৰ্মচাৰী শ্ৰীহেমন্ত নাথ, প্ৰয়াত নৃপেন কলিতা, মতিন আৰু গ্ৰন্থখনৰ লিপিকাৰ ময়ূৰী অফছেটৰ স্বত্বাধিকাৰ শ্ৰীকমল চন্দ্ৰ বৈশ্য (ৰিংকু) আৰু সহযোগী লিপিকাৰ শ্ৰীলোহিত চন্দ্ৰ বড়োলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলো।

মোৰ গৱেষণা কৰ্মই প্ৰস্তুতি পৰ্বৰে পৰা বৰ্তমানলৈ আমাৰ তিনি কন্যা কীৰ্তনা, শ্ৰাৱণা আৰু প্ৰাৰ্থনাৰ ভাগৰ বহু সময় কাঢ়ি লৈছিল। বিভিন্ন অসুবিধা ভোগ কৰিও তেওঁলোকে কোনো অভিযোগ নকৰি মোক উৎসাহিত কৰিছিল। তেওঁলোকলৈ মোৰ হিয়াভৰা মৰম আৰু কৃতজ্ঞতা জনালো। লগতে বুলুলৈয়ো মোৰ শলাগ যাঁচিছো।

সদৌ শেষত মোৰ সকলো কৰ্মৰে সঙ্গী স্বামী শ্ৰীযুত বিজয় হাজৰিকালৈ কৃতজ্ঞতা যাঁচিলো, যাৰ অহৰহ তাগিদা, ত্যাগ, প্ৰেৰণা আৰু সহায়ৰ বাবে এই গৱেষণা কৰ্মই পৰিপূৰ্ণতা লাভ কৰিলে।

উপহুপাৰা
মঙলদৈ, দৰং

**ৰূপজ্যোতি বৰুৱা**